**কৃষক ৰাইজলৈ গোহাৰি**

আমাৰ এই 'ঘৰে - পথাৰে' পত্ৰিকাখনিৰ গ্ৰাহকভুক্ত হবলৈ অথবা নৱীকৰণ কৰিবলৈ বছেৰেকীয়া ৰবঙণি ১০.০০ (দহ) টকা মনি অৰ্ডাৰযোগে আগতীয়াকৈ তলৰ ঠিকনাত পঠাই যেন।

সম্পাদক
'ঘৰে-পথাৰে'
সম্প্ৰসাৰণ শিক্ষা সঞ্চালকালয়
অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট



# ঘৰে-পথাৰে

পষেকীয়া কৃষি পত্ৰিকা

অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট


**এই সংখ্যাত আছে -**


| বিষয় | পৃষ্ঠা |
|---|---|
| ☐ লেটব্লাইট - আলুখেতিৰ .. | ২ |
| ☐ ব্ৰয়লাৰ কুকুৰাৰ ঘৰৰ পৰিষ্কাৰ | ২ |
| ☐ ভেঁকুৰনাশক আৰু ইয়াৰ প্ৰতি .. | ২ |
| ☐ আমাৰ একাষাৰ .. .. .. | ৩ |
| ☐ মাহটোৰ কৃষিকৰ্ম .. .. .. | ৩ |
| ☐ উদ্যান শস্য .. .. .. | ৩ |



☐ ৪২ তম্ বছৰ ☐ সংখ্যা ১ ☐ ১ জানুৱাৰী, ২০২১ ☐ ১৬ - ৩০ পুহ ১৯৪২ শক ☐ মূল্য - ১.০০ টকা GHARE - PATHARE PMG - 19 of 2005 - 06


## কুঁহিয়াৰ গৱেষণা কেন্দ্ৰ, বুঢ়ালিক্চনত

# কৃষক মেলা সম্পন্ন


অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত বুঢ়ালিক্চনস্থিত কুঁহিয়াৰ গৱেষণা কেন্দ্ৰত যোৱা ১৯ ডিচেম্বৰ তাৰিখে দিনযোৰা কাৰ্যসূচীৰে এখন কৃষক মেলা অনুষ্ঠিত হৈ যায়। অৱশ্যে ক'ভিড - ১৯ ৰ সমক্ৰমণৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি পূৰ্বৰ তুলনাত কিছু অনুষ্টুপীয়াভাৱে আৰু সতৰ্কতামূলক নীতি-নিয়মৰ মাজেৰে কৃষক মেলাখন আয়োজন কৰা হয়। সৰ্বভাৰতীয় কুঁহিয়াৰ গৱেষণা কেন্দ্ৰৰ সৌজন্যত কুঁহিয়াৰ গৱেষণা কেন্দ্ৰটিত ৰূপায়িত হৈ থকা জনজাতি কল্যাণমূলক আঁচনিৰ অধীনত এই কৃষক মেলাৰ আয়োজন কৰা হৈছিল। অসম কৃষি বিশ্ববিদ্যালয়ৰ ভালে সংখ্যক বিজ্ঞানী আৰু প্ৰায় ১০০০ কৃষক ৰাইজৰ উপস্থিতিত অনুষ্ঠিত হোৱা এই কৃষক মেলাখনিয়ে কৃষক ৰাইজক যথেষ্ট উৎসাহিত কৰে। মেলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাবে অংশ গ্ৰহণ কৰি অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই গৱেষণা কেন্দ্ৰটোৰ দ্বাৰা উৎপাদিত কুঁহিয়াৰৰ নতুন বীজসমূহে কুঁহিয়াৰ খেতিয়কসকলক উপকৃত কৰিবলৈ সক্ষম হৈছে বুলি মন্তব্য প্ৰকাশ কৰে। এগৰাকী বিশিষ্ট কৃষি বিজ্ঞানী ড° ডেকাই বৰ্তমান সময়ত গুৰৰ জনপ্ৰিয়তা আৰু চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি



*বুঢ়ালিক্চনস্থিত কুঁহিয়াৰ গৱেষণা কেন্দ্ৰত অনুষ্ঠিত কৃষক মেলাৰ প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰা অৱস্থাত কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকা প্ৰমুখ্যে অন্যান্য কৃষি বিজ্ঞানীসকল*

অধিক উৎপাদনক্ষম কুঁহিয়াৰৰ বীজ ব্যৱহাৰ কৰি গুৰৰ উৎপাদন বৃদ্ধি কৰা, জুলীয়া গুৰ প্ৰস্তুত কৰি অন্যান্য সামগ্ৰী প্ৰস্তুত কৰাত গুৰুত্ব দিবলৈ আহ্বান জনোৱাৰ লগতে কৃষকসকলৰ অৰ্থনৈতিক উন্নয়নৰ বাবে সমন্বিত কৃষি পদ্ধতিৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ কৃষকসকলৰ প্ৰতি অনুৰোধ জনায়। সভাত কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালক (কৃষি) ড° অশোক ভট্টাচাৰ্যই কৃষকসকলক উন্নতমানৰ বীজ, উন্নত কৃষি পদ্ধতিৰে কৃষিত মনোনিবেশ কৰাৰ বাবে আহ্বান জনায়। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কৃষকসকলৰ বাবে আগবঢ়োৱা সুবিধা সমূহ গ্ৰহণ কৰিবলৈও তেওঁ উৎসাহ যোগায়। পুৰা পতাকা উত্তোলন

(৪ পৃষ্ঠাৰ ৫ কলমত চাওক)




# কৃষিত প্ৰশস্ত হ'ব বেচৰকাৰী বিনিয়োগৰ পথ

যোৱা ১২ ডিচেম্বৰ তাৰিখে ফেডাৰেচন অৱ্ ইণ্ডিয়ান চেম্বাৰ অৱ্ কমাৰ্চ (ফিকি)ৰ ৫৩ সংখ্যক বাৰ্ষিক সভাত অংশ গ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে নতুন কৃষি আইনৰ ফলত দেশৰ কৃষিখণ্ডত বিপুল বেচৰকাৰী বিনিয়োগৰ পথ প্ৰশস্ত হোৱাৰ লগতে কৃষিৰ বাণিজ্যত থকা অদৃশ্য প্ৰাচীৰ আঁতৰিব বুলি প্ৰকাশ কৰে। নতুন কৃষি আইনৰ ফলত কৃষি আৰু ইয়াৰ সহযোগী বাণিজ্য ক্ষেত্ৰসমূহৰ মাজৰ দূৰত্ব আঁতৰ হ'ব। তদুপৰি কৃষকে কৃষিত বিনিয়োগৰ আৰু কৃষি বিপণনৰ নতুন সুযোগ লাভ কৰিব বুলি মোডীয়ে ভাষণ প্ৰসঙ্গত উল্লেখ কৰে। এই সন্দৰ্ভত তেওঁ কয় - কোনো বাণিজ্য ক্ষেত্ৰত যদি অপ্ৰয়োজনীয় বাধাৰ সৃষ্টি হয়, তেতিয়া হ'লে সেই বাণিজ্যই কোনোদিন নিজৰ মতে অগ্ৰসৰ হ'ব নোৱাৰে। সেই প্ৰাচীৰ দূৰ কৰাৰ ব্যৱস্থা কৰা হৈছে নতুন কৃষি আইনৰ জৰিয়তে। কৃষি পৰিকাঠামো, খাদ্য প্ৰক্ৰিয়াকৰণ, ফচল সঞ্চয় আদি ভিন ভিন কৃষি নিৰ্ভৰ বাণিজ্য ক্ষেত্ৰত থকা অদৃশ্য প্ৰাচীৰ নতুন কৃষি আইনৰ জৰিয়তে দূৰ কৰাৰ দিহা কৰা হৈছে।

(৪ পৃষ্ঠাৰ ৪ কলমত চাওক)

# আগতীয়া বোৰা আহুধানৰ খেতি

অসমত বোৰা আহুধানৰ খেতি আগতীয়া আৰু নিয়মীয়া আহু হিচাপে কৰা হয়। বোৰা আহুধানৰ খেতি কৰিবলৈ জলসিঞ্চনৰ ব্যৱস্থা লাগিবই। বোৰা আহুধানৰ খেতিৰ লগত কিছুমান সমস্যা জড়িত হৈ আছে। তাৰ ভিতৰত — উপযুক্ত জলসিঞ্চন ব্যৱস্থাৰ অভাৱ, হঠাতে উদ্ভৱ হোৱা খৰাং পৰিস্থিতি, উন্নত শস্য পৰিচৰ্য্যাৰ অভাৱ, বন-বাতৰ প্ৰকোপ আদিয়ে প্ৰধান। সমস্যা থাকিলেও বিজ্ঞানসন্মত কৃষি প্ৰণালী প্ৰয়োগৰ দ্বাৰা আগতীয়া বোৰা আহুধানৰ উৎপাদন যথেষ্ট পৰিমাণে বঢ়াব পৰা যায়।

**মাটি নিৰ্বাচন ঃ** আগতীয়া বোৰা আহুধানৰ খেতি কৰিবলৈ হ'লে য'ত জলসিঞ্চনৰ ব্যৱস্থা আছেনতুবা জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা যায় তেনেকুৱা মাটি নিৰ্বাচন কৰিব লাগে। বোৰা আহুধান কৰিবলৈ গধুৰ বা মধ্যমীয়া গঠনৰ মাটি নিৰ্বাচন কৰাটো ভাল।

**জাত নিৰ্বাচন ঃ** আগতীয়া বোৰা আহুধানৰ উৎপাদন নিৰ্ভৰ কৰিব উপযুক্ত জাত নিৰ্বাচন কৰাৰ ওপৰত। সেয়েহে আগতীয়া বোৰা আহুধানৰ জাতসমূহ কম দিনতে চপাব পৰা, অৰ্দ্ধ চাপৰ (৯০ ছে-মিঃ), খৰাং সহ্য কৰিব পৰা, পোক-পৰুৱা তথা বেমাৰ-আজাৰৰ প্ৰতিৰোধ ক্ষমতা থকা আৰু ধান পকাৰ পিছত গছতেই গজালি নেমেলা গুণবিশিষ্ট হ'ব লাগে। তদুপৰি আগতীয়া বোৰা আহুধানৰ জাতসমূহে প্ৰাৰম্ভিক অৱস্থাত ঠাণ্ডা সহ্য কৰিব পৰা গুণবিশিষ্ট হোৱাটো বাঞ্ছনীয়। আগতীয়া বোৰা আহুধানৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ে অনুমোদন জনোৱা জাতসমূহ হৈছে - ৰাঁচী, আই আৰ - ৩৬, জয়া, লাচিত, চিলাৰায়, গোপীনাথ, লুইত, কপিলী, দিচাং, কলং, দিখৌ, কালচাৰ - ১, আদি।

**কঠীয়াতলি প্ৰস্তুতি ঃ** বোৰা আহুধানৰ পৰা অধিক উৎপাদন আশা কৰিবলৈ হ'লে সুস্থ, সবল আৰু নিৰোগী কঠীয়া উৎপাদন কৰিবই লাগিব। ডাকৰ বচনত লিখা আছে - 'বাই গুণে ভিনিহি, কঠীয়া গুণে কিৰিষি।' কঠীয়া সিঁচিবৰ বাবে মাটিডৰা ভালদৰে হালবাই মৈয়াইল'ব লাগে যাতে মাটিডৰা ভাল ধৰণে বোকা হয় আৰু সমান হয়। তাৰ পিছত কঠীয়াতলিখন ৪ ফুট বহল আৰু ৩০ ফুট দীঘল হিচাপে চিতা বা বেদ বনাই দিব লাগে। দুখন কঠীয়াতলিৰ মাজত এফুট ব্যৱধান ৰাখি নলা বা লোৰ বনাই দিব লাগে। পানীৰ অভাৱ হ'লে এই লোৰেৰে পানী সুমুৱাই দিব পৰা যায়। তদুপৰি এনেকৈ ব্যৱধান ৰাখিলে কঠীয়াতলিৰ মাজলৈ সোমাই গৈ পৰিদৰ্শন কৰি পোক-পৰুৱা বা বেমাৰ-আজাৰৰ প্ৰাদুৰ্ভৱ প্ৰত্যক্ষ কৰাৰ উপৰিও নিৰাময়ৰ বাবে দৰৱ স্প্ৰে কৰিব পৰা যায়। একোখন কঠীয়াতলিত ২০-৩০ কিঃগ্ৰাঃ গোবৰ বা পচন সাৰ, ৮০ গ্ৰাম ইউৰীয়া, ৮০ গ্ৰাম একক চুপাৰ ফচফেট আৰু ৪০ গ্ৰাম মিউৰেট অৱ পটাছ সাৰ প্ৰয়োগ কৰিব লাগে। প্ৰতিখন কঠীয়াতলিত ৬৫০ গ্ৰামৰ পৰা ১ কিঃ গ্ৰামলৈ গজালি মেলা বীজ সিঁচিব পৰা যায়। বীজখিনি এৰাতি তিয়াই দুৰাতি গাপ দিলে সুন্দৰ গজালি ওলাব।

**বীজ সিঁচাৰ সময় ঃ** আগতীয়া বোৰা আহুধানৰ খেতিৰ বাবে ফাগুণ মাহত কঠীয়া সিঁচিব লাগে।

**মূল পথাৰ প্ৰস্তুতি ঃ** মূল পথাৰত হাল বোৱাৰ সময়তেই পথাৰখনত এবাৰ পানী ভৰাই ল'ব লাগে। অৰ্থাৎ কঠীয়া ৰোৱাৰ ২১-২৪ দিন আগেয়ে পানী ভৰাই প্ৰথমবাৰ হাল বাই ল'ব লাগে। প্ৰথমবাৰ পানী ভৰোৱাৰ পাছত কঠীয়া ৰোৱাৰ ১০-১২ দিন আগতে আকৌ পানী ভৰাই লৈ হাল বাই মাটি বোকা কৰিব লাগে। হাল বোৱাৰ পাছতে মাটিডৰা ভালকৈ মৈয়াই থ'ব লাগে। পথাৰখনত আলি ঘনকৈ আৰু ওখকৈ দিব লাগে। আলিবোৰ মেৰামতি কৰি বোকাৰে লেপি দিব লাগে। শেষৰবাৰ হাল বোৱাৰ সময়তে পানী ভৰাই হাল বাই মৈয়াই কঠীয়া ৰোৱাৰ বাবে প্ৰস্তুত কৰিব লাগে। ৰোৱাৰ সময়ত ৫ ছেঃমিঃ জোখৰ পানী ৰাখিব লাগে।

**সাৰ প্ৰয়োগ ঃ** মূল পথাৰ প্ৰস্তুতিৰ সময়তে পৰ্য্যাপ্ত পৰিমাণে শুকান গোবৰ, পচন সাৰ আদি প্ৰয়োগ কৰিব লাগে। চাপৰ জাতৰ বাবে বিঘাই প্ৰতি ১২ কিঃগ্ৰাঃ ইউৰীয়া, ১৭ কিঃগ্ৰাঃ একক চুপাৰ ফচফেট আৰু ৪ কিঃগ্ৰাঃ মিউৰেট অৱ পটাছ সাৰ প্ৰয়োগ কৰিব লাগে। ওখ জাতৰ বাবে বিঘাই প্ৰতি ৬ কিঃগ্ৰাঃ ইউৰীয়া, ৯ কিঃগ্ৰাঃ একক চুপাৰ ফচফেট আৰু ২ কিঃগ্ৰাঃ মিউৰেট অৱ পটাছ সাৰৰ প্ৰয়োজন হয়। ডি এ পি

(৪ পৃষ্ঠাৰ ৩ কলমত চাওক)

# লেটব্লাইট - আলুখেতিৰ প্ৰধান অন্তৰায়

আলুখেতিৰ এক জ্বলন্ত সমস্যা হ'ল 'লেটব্লাইট' বেমাৰ। এবাৰ যদি এই বেমাৰে আক্ৰমণ কৰে তেনেক্ষেত্ৰত আলুখেতিডৰা ৰক্ষা কৰাটো খুব কঠিন হৈ পৰে। আলু গছৰ ওপৰত লেটব্লাইটৰ আক্ৰমণৰ বুৰঞ্জী অতি পুৰণি। গছ-গছনিৰ বেমাৰ-আজাৰৰ ওপৰত কৰা প্ৰণালীবদ্ধ অধ্যয়নৰ প্ৰায় আৰম্ভণি অৱস্থাৰ পৰাই আলুখেতিত লেটব্লাইটৰ আক্ৰমণ পৰিদৃশ্যমান। আজিলৈকে বহু অধ্যয়ন, বহুখিনি পৰীক্ষা-নিৰীক্ষাৰ অন্তত এই ৰোগবিধ প্ৰতিৰোধ কৰাত বিভিন্ন কৌশল উদ্ভাৱন কৰাৰ সম্ভৱ হৈছে।

দক্ষিণ আমেৰিকাক আলুগুটিৰ জন্মস্থান চিহ্নিত কৰা হৈছে। অতীজতে দক্ষিণ আমেৰিকাত উৎপন্ন হোৱা আলুগুটি উত্তৰ আমেৰিকা তথা ইউৰোপৰ বিভিন্ন দেশলৈ ৰপ্তানি কৰা হৈছিল। কিন্তু আৰম্ভণি অৱস্থাত এই বেমাৰৰ প্ৰাবল্য কম আছিল হেতুকে ৰপ্তানিকৃত শস্যৰ লগত এই বেমাৰ বিয়পি যোৱাৰ সম্ভাৱনাও যথেষ্ট কম আছিল। তদুপৰি সেই সময়ত যাতায়তৰ সুচল অৱস্থা নথকাত দক্ষিণ আমেৰিকাৰ পৰা আলুগুটি আহি ইউৰোপ পাওতে যথেষ্ট সময় লাগিছিল। ফলস্বৰূপে বিষুৱীয় অঞ্চলৰ উচ্চ উষ্ণতাত দীৰ্ঘদিন ধৰি এই ৰোগৰ বীজাণু বৰ্ত্তী থাকিব পৰা নাছিল। সময়ৰ লগে লগে যাতায়ত ব্যৱস্থা উন্নত হোৱাৰ লগে লগে অতি সহজে কম সময়ৰ ভিতৰতে উৎপাদিত সামগ্ৰী এখন দেশৰ পৰা আনদেশলৈ ৰপ্তানি কৰিব পৰা হ'ল আৰু তাৰ লগে লগে বেমাৰৰ বীজাণু বিস্তাৰিত হোৱাত সহায়ক হ'ল। যাৰ ফলত অতি কম দিনতে আলুগছৰ লেটব্লাইট বেমাৰ সমগ্ৰ ইউৰোপত বিয়পি পৰে। এই বেমাৰৰ ভয়াবহতাৰ এক জ্বলন্ত উদাহৰণ হ'ল - 'আইৰিচ দুৰ্ভিক্ষ' (১৮৪৫-৪৬)। আয়াৰলেণ্ডবাসীৰ মূল খাদ্য হৈছে আলু। এই ৰোগৰ আক্ৰমণত আলু খেতি উচ্ছন হোৱাত আয়াৰলেণ্ডত সেই সময়ৰ ৪ মিলিয়ন জনসংখ্যাৰ অধিক সংখ্যক লোক দুৰ্ভিক্ষৰ কৱলত পৰিছিল।

ভাৰতবৰ্ষত ১৮৭০-৮০ চনৰ ভিতৰত এই ৰোগ পোন প্ৰথমবাৰৰ বাবে নীলগিৰি পৰ্বতত (তামিলনাডু) দেখা দিয়ে। আমাৰ অসমত ১৯০১-০২ চনত লেটব্লাইট ৰোগে দেখা দিয়ে যদিও আলুখেতিৰ বিশেষ অনিষ্ট কৰিব পৰা নাছিল। কিন্তু ইয়াৰ পিছতে ১৯১২-১৩ চনত যোৰহাট অঞ্চলত প্ৰথমবাৰৰ বাবে এক ডাঙৰ সমস্যাৰূপে আত্মপ্ৰকাশ কৰে আৰু ক্ৰমাগতভাৱে আলুখেতি কৰা সকলো অঞ্চললৈকে এই ৰোগ বিয়পি পৰে। বৰ্ত্তমান আমাৰ ৰাজ্যখনতো আলুখেতিৰ প্ৰধান অন্তৰায় হ'ল লেটব্লাইট।

বতৰৰ লগত এই ৰোগৰ ওতঃপ্ৰোতঃ সম্বন্ধ। বতৰ ডাৱৰীয়া বা অতি পাতলীয়া বৰষুণ (০.১ মিঃমিঃ বা অলপ বেছি) নিশাৰ উষ্ণতা ১০°চেঃ ওচৰা ওচৰি আৰু বায়ুমণ্ডলৰ আপেক্ষিক আৰ্দ্ৰতাৰ পৰিমাণ ৯০ শতাংশতকৈ অধিক হ'লে লেটব্লাইট বেমাৰৰ বীজাণুৰ পৰিবৰ্দ্ধন ও সংক্ৰমণ অধিক হয়।

**ৰোগৰ লক্ষণ ঃ** ডিচেম্বৰ - জানুৱাৰী মাহত সাধাৰণতে এই ৰোগে দেখা দিয়ে। প্ৰথম অৱস্থাত এই ৰোগ গছৰ পাতত সীমাবদ্ধ থাকে। গছৰ তলৰ ভাগৰ পাতৰ আগ বা দাতিত কিছুমান মুগাবৰণীয়া পাতল দাগৰ সৃষ্টি হয়। দাগবোৰ ক্ৰমে ডাঠ ক'লা ৰঙৰ হৈ পচি যোৱা যেন হয় আৰু গোটেই পাতখিলালৈ বিয়পি পৰে। আক্ৰান্ত পাতৰ তলফালেও বগা বীজাণুবোৰ দেখা পোৱা যায়। প্ৰতিকুল বতৰত এই ৰোগ দাতি-কাষৰীয়া সুস্থ সবল গছবোৰতো অতি সোনকালেই বিয়পি পৰে। ২-৩ দিনৰ ভিতৰতে সমগ্ৰ আলুখেতিডৰা আক্ৰান্ত হৈ মৰি যায়। আক্ৰান্ত গছৰ আলুবোৰতো ক'লা-মুগা বৰণীয়া ডাগৰ উৎপত্তি হয় আৰু ক্ৰমান্বয়ে আলুবোৰ পচি যায়।

এই বেমাৰৰ বীজাণুবিধ অবতৰত আক্ৰান্ত আলুৰ গাতে জীয়াই থাকে। এই আক্ৰান্ত আলুবোৰ যদি পিছৰ বছৰত আলুখেতি কৰিবলৈ গুটি হিচাপে ব্যৱহাৰ কৰা হয় তেন্তে পিছৰ বছৰৰ বাবে এই আক্ৰান্ত আলুটিবোৰে লেটব্লাইটৰ উৎস হিচাপে পৰিগণিত হয়। আলু ফাটি যেতিয়া গজালি ওলায়, তেনে সময়তে এই বীজাণুৰ শাখা-প্ৰশাখাবোৰ আলুৰ কোষৰ লগত সমান্তৰালকৈ বাঢ়ি যায় আৰু ক্ৰমে ক্ৰমে ডালৰ মাজেৰে গৈ পাতত আক্ৰমণ কৰে।

**লেটব্লাইটৰ প্ৰতিকাৰ ঃ**

১) এই বেমাৰৰ পৰা পৰিত্ৰাণ পাবলৈ খেতিয়কে ৰাইজে লেটব্লাইট ৰোগ প্ৰতিৰোধ কৰিব পৰা জাত ব্যৱহাৰ কৰাটো অতি প্ৰয়োজনীয়। এনে কিছুমান জাত হ'ল - কুফ্ৰি মেঘা, কুফ্ৰি জ্যোতি, কুফ্ৰি বাদছাহ, কুফ্ৰি অশোকা ইত্যাদি।

২) বেমাৰে আক্ৰমণ কৰাৰ আগতেই প্ৰতিষেধক ব্যৱস্থা লোৱাটো অতি প্ৰয়োজনীয়। ডিচেম্বৰৰ পৰা ফেব্ৰুৱাৰীলৈকে অৰ্থাৎ আলুৰ বয়স ৭০ দিনমান হোৱালৈকে ১০-১২ দিনৰ অন্তৰে অন্তৰে ইন্দোফিল এম ৪৫ নামৰ দৰৱবিধ প্ৰতি লিটাৰ পানীত ২ গ্ৰাম হিচাপে গুলি সম্পূৰ্ণ গছজোপা পাতৰ তলে ওপৰে তিতি যোৱাকৈ স্প্ৰে কৰিব

(৪ পৃষ্ঠাৰ ৩ কলমত চাওক)

# ব্ৰয়লাৰ কুকুৰাৰ ঘৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু বীজাণুমুক্তকৰণ (১)

ব্ৰয়লাৰ কুকুৰা পাম এখনৰ পৰা আৰ্থিক সুফল পাবলৈ হ'লে কুকুৰাবোৰৰ সম্পূৰ্ণ সুস্বাস্থ্য অপৰিহাৰ্য। নতুনকৈ আৰম্ভ কৰা ব্ৰয়লাৰ পাম এখনত প্ৰথম ২-৩ টা জাকৰ বাঢ়ন ক্ষমতা যথেষ্ট উৎসাহজনক আৰু মৃত্যুৰ হাৰো তেনেই নগণ্য। কিন্তু পৰৱৰ্তী পৰ্যায়ত পিছৰ জাকবিলাকত বহুতো পালকৰ ব্ৰয়লাৰ কুকুৰাবোৰৰ বাঢ়ন ক্ষমতাৰ হ্ৰাস তথা মৃত্যুৰ হাৰো বেছি হোৱা দেখা যায়। জাক এটাৰ সুফল প্ৰতিপালন কৰি বিক্ৰী কৰাৰ পিছত ব্ৰয়লাৰ ঘৰটো সম্পূৰ্ণকৈ চাফ-চিকুণ, সা-সঁজুলি বিশুদ্ধকৰণ তথা ঘৰটো সম্পূৰ্ণকৈ বীজাণুমুক্ত কৰাত কম গুৰুত্ব দিয়াটোও ইয়াৰ এক অন্যতম কাৰণ। কুকুৰাৰ পামখন বেমাৰ-আজাৰৰ পৰা মুক্ত কৰি ৰাখিবৰ বাবে পামঘৰৰ স্থান আৰু গঠন অত্যন্ত জৰুৰী বিষয়। মুক্ত বায়ু চলাচল, ৰ'দঘাই স্থান আৰু নিগনি মুক্ত পৰিবেশ বাধ্যতামূলক বুলি ধৰা উচিত। একেটা পামঘৰত বেলেগ বেলেগ বয়সৰ কুকুৰা ৰখাটো বিজ্ঞানসন্মত নহয়, সেয়ে এটা ঘৰত একে বয়সৰ এটা জাকহে পালন কৰা উচিত। অন্যথা ডাঙৰ কুকুৰাবিলাকৰ পৰা সৰু পোৱালিবোৰলৈ বেমাৰৰ বীজাণু বিয়পিব পাৰে।

এটা জাক বিক্ৰী কৰাৰ পিছত ব্ৰয়লাৰ ঘৰটো সম্পূৰ্ণকৈ চাফ-চিকুণ কৰি, বীজাণুনাশক, ধোঁৱাকৰণ আদিৰ সফল প্ৰয়োগৰ জৰিয়তে ব্ৰয়লাৰ ঘৰটোত এক নতুন বীজাণুবিহীন স্বাস্থ্যকৰ পৰিবেশ দিব লাগে যাতে পৰৱৰ্তী পৰ্য্যয়ত ব্ৰয়লাৰ জাকটোক এক সুন্দৰ বাঢ়ন ক্ষমতাযুক্ত, নিৰোগী জাক হিচাবে তুলিব পৰা যায়। প্ৰতিটো জাকৰ সফল বৃদ্ধি তথা ন্যূনতম মৃত্যুৰ হাৰ পাবলৈ জাকটো বিক্ৰী কৰাৰ পিছত আৰু নতুন জাক এটাৰ আগমণৰ আগতে কুকুৰাৰ ঘৰটো তথা সা-সঁজুলি বিলাক সম্পূৰ্ণ বীজাণুমুক্ত হোৱাটো অতিকৈ প্ৰয়োজনীয়।

ব্ৰয়লাৰ পাম এখনত সঠিক চাফ-চিকুণতা, বীজাণুনাশক প্ৰয়োগ, ধোঁৱাকৰণ, পুৰণি অলাগতিয়াল বস্তু আঁতৰোৱা আৰু পুৰণি লিটাৰখিনিৰ সঠিক স্থানান্তৰ আদিয়ে পিছৰ জাক ব্ৰয়লাৰৰ বেমাৰৰ সম্ভাৱনীয়তা যথেষ্ট পৰিমাণে হ্ৰাস কৰে আৰু ফলত বাঢ়নত সহায়ক হয়। যদি ব্ৰয়লাৰ জাক এটা বিক্ৰীৰ পিছত ব্ৰয়লাৰ ঘৰটো সম্পূৰ্ণৰূপে চাফ-চিকুণ তথা বীজাণুনাশক প্ৰয়োগ কৰা নহয়, তেতিয়া পিছৰ জাক ব্ৰয়লাৰে আৰম্ভণিৰ পৰা এটা অস্বাস্থ্যকৰ পৰিবেশ পায় ফলত বিভিন্ন ৰোগ সংক্ৰমণৰ সম্ভাৱনীয়তা বাঢ়ি কুকুৰাৰ মৃত্যুৰ হাৰ বৃদ্ধি পায় আৰু ইহঁতৰ বাঢ়নতো ইয়াৰ কু-প্ৰভাৱ দেখা যায়। সেয়েহে পিছৰ জাক ব্ৰয়লাৰৰ সঠিক বৃদ্ধি তথা নিৰোগী স্বাস্থ্যৰ বাবে এটা জাক বিক্ৰী কৰাৰ পিছত পামৰ পৰিসীমাৰ লগতে পামঘৰৰ সু-পৰিচালনা, চাফ-চিকুণতা, বীজাণুনাশক প্ৰয়োগ ব্যৱস্থা আৰু অলাগতিয়াল লেতেৰা সামগ্ৰীসমূহৰ সঠিক নিষ্পত্তিকৰণ অতিকৈ জৰুৰী।

**ড° মিহিৰ শৰ্মা**
**ড° বীৰেন্দ্ৰ কুমাৰ শৰ্মা**

# ভেঁকুৰনাশক আৰু ইয়াৰ প্ৰতি ল'বলগীয়া সাৱধানতা

কৃষি ক্ষেত্ৰত ভেঁকুৰনাশক হৈছে এনে কিছুমান পদাৰ্থ যিবোৰ সাধাৰণতে শস্যৰ ভেঁকুৰ নিৰ্মূল কৰিবলৈ বা ভেঁকুৰ সংক্ৰমণ ৰোধ কৰিবলৈ ব্যৱহাৰ কৰা হয়। প্ৰাকৃতিক বা কৃত্ৰিম এই দুই প্ৰকাৰৰ ভেঁকুৰনাশক বজাৰত উপলব্ধ। কৃত্ৰিম ভেঁকুৰনাশকবোৰ সাধাৰণতে উদ্যান শস্যৰ ভেঁকুৰজনিত ৰোগ নিৰ্মূল কৰিবলৈ ব্যৱহাৰ কৰা হয়। ক্ৰিয়াৰভিত্তিত ভেঁকুৰনাশক দুই প্ৰকাৰত বিভক্ত কৰা হয় - পদ্ধতিগত আৰু সংস্পৰ্শজনিত। ভেঁকুৰজনিত ৰোগৰ পৰা শস্যত হ'ব পৰা ৰোগৰ লক্ষণ সমূহ হ'ল - পাত হালধীয়া হোৱা, গছৰ গুৰি পচি যোৱা, পাতত দাগ হোৱা, পাতৰ গুৰি পচি যোৱা, পাতৰ ওপৰত বগা পাউদাৰ হোৱা আদি।

ভেঁকুৰজনিত ৰোগ হ'লে ভেঁকুৰনাশক স্প্ৰে কৰিব লাগে। কিয়নো ইয়াৰ পৰা খেতিডৰাত উৎপাদন বহু পৰিমাণে কমি যায়। যিহেতু ভেঁকুৰনাশক এটা কৃত্ৰিম উপাদান, গতিকে স্প্ৰে কৰাৰ সময়ত ইয়াৰ পৰা বহুতো সাৱধানতা অৱলম্বন কৰিব লাগে। নহ'লে ইয়াৰ দ্বাৰা মানুহৰ বহুতো ক্ষতি হয়।

**ব্যৱহাৰ প্ৰক্ৰিয়া ঃ** পিঠিত লোৱা নেপচেক স্প্ৰেয়াৰ, শক্তিচালিত স্প্ৰেয়াৰ আৰু এচ পি এচটিপি শক্তিচালিত স্প্ৰেয়াৰ ইত্যাদি।

**সাৱধানতা ঃ**

১) খাদ্য সামগ্ৰী, খাদ্য সামগ্ৰী ৰখা বাচন আৰু পশুৰ খাদ্যৰ পৰা আঁতৰত ৰাখিব লাগে।

২) মুখ, চকু আৰু শৰীৰৰ পৰা আঁতৰত ৰাখিব লাগে।

৩) স্প্ৰে কৰাৰ সময়ত পানীৰ কণিকা যাতে উশাহৰ লগত মুখত নোসোমায় তাৰ বাবে বতাহৰ দিশত স্প্ৰে কৰিব লাগে।

৪) স্প্ৰে কৰাৰ পিছত দূষিত কাপোৰ-কানিবোৰ ধোৱাৰ লগতে ভালদৰে গা ধুব লাগে।

৫) স্প্ৰে কৰি থকাৰ সময়ত ধুমপান, খাদ্য আৰু পানী খাব নালাগে।

৬) স্প্ৰে কৰাৰ সময়ত আৰু ঔষধ মিহলোৱা সময়ত সম্পূৰ্ণ সুৰক্ষিত কাপোৰ পিন্ধিব লাগে।

**বিষৰ লক্ষণ ঃ** বমি, পেটৰ বিষ, দুৰ্বল, পেটধিলা বা সঘনাই পায়খানা লগা, উশাহ লওতে ডিঙিৰ নলী জ্বলা ইত্যাদি।

**প্ৰাথমিক চিকিৎসা ঃ**

১) যদি ভিতৰত সোমায় তেন্তে ভালকৈ কুলি কুলি কৰি বমি কৰিব লাগে আৰু এইটো তেতিয়ালৈ কৰিব লাগে যেতিয়ালৈ ভিতৰত সোমোৱা পদাৰ্থ বা ভেঁকুৰনাশক ওলাই নাহে। যদিহে মানুহজন সংজ্ঞাহীন হয় তেন্তে এইটো কৰিব নালাগে।

২) যদিহে ছাল আৰু গাৰ কাপোৰ দূষিত হয় তেন্তে কাপোৰ খুলিব লাগে আৰু সংক্ৰমিত অংশ ভালদৰে চাবোনেৰে ধুই পেলাব লাগে।

৩) যদি চকু সংক্ৰমিত হয় তেন্তে চকুত বিশুদ্ধ পানী ১০-১৫ মিনিটৰ কাৰণে মাৰিব লাগে।

৪) যদি উশাহৰ লগত ভিতৰলৈ সোমায় তেন্তে ৰোগীক বিশুদ্ধ বতাহৰ পৰিবেশলৈ লৈ যাব লাগে।

**বিষনাশক ঃ** এতিয়ালৈ কোনো নিৰ্দ্দিষ্ট বিষনাশক ওলোৱা নাই, লক্ষণ অনুযায়ী ৰোগীক চিকিৎসা কৰাব লাগে।

**খালি পেকেট পেলোৱা ঠাই ঃ**

১) ভেঁকুৰনাশক ব্যৱহাৰ কৰা মানুহৰ অথবা প্ৰস্তুত কৰোতাৰ এইটো কৰ্তব্য যে ব্যৱহাৰ কৰাৰ পিছত পেকেট বা বটল জনবসতি শূণ্য ঠাইত মাটিৰ তলত ভাঙি পুতি পেলাব লাগে। ব্যৱহাৰ কৰা স্প্ৰে মেচিন ভালকৈ ধুব লাগে।

২) ভেঁকুৰনাশক ব্যৱহাৰ কৰা সামগ্ৰী, বটল যাতে দ্বিতীয়বাৰ ব্যৱহাৰ নহয়, তাৰ বাবে বাহিৰত পেলাব নালাগে।

৩) পেকেটবোৰ জলশূণ্য ঠাইত পেলাব লাগে আৰু ভেঁকুৰনাশক ব্যৱহাৰ কৰা বাচন ধুওতে যাতে খোৱা পানী প্ৰদূষিত নহয় তাৰ বাবে লক্ষ্য ৰাখিব লাগে।

**ভেঁকুৰনাশক সংৰক্ষণৰ চৰ্ত ঃ**

১) ভেঁকুৰনাশক পেকেটবোৰ প্ৰকাৰ আৰু পৰিমাণ অনুযায়ী বেলেগ কোঠালী বা আলমিৰাত ৰাখিব লাগে য'ত খোৱা সামগ্ৰী ৰখা নহয়। খোৱা বা শোৱা কোঠালীৰ পৰা যাতে দূৰত থাকে তাৰ প্ৰতি গুৰুত্ব দিব লাগে আৰু তলা-চাবি বেলেগ ব্যৱহাৰ কৰিব লাগে।

২) ভেঁকুৰনাশক ৰখা ঘৰটো যাতে শুকান, ওখ আৰু বতাহ সোমাব পৰা হয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। কিন্তু বতাহত যাতে সংক্ৰমণ নহয় এইটো গুৰুত্ব দিব লাগে।

**কংকু ডেকা**
**সুনীল কুমাৰ ভট্টাচাৰ্য**

আমাৰ একাষাৰ

# গো-পালন ঃ সামাজিক প্ৰমূল্য আৰু কৃষি

অতীজৰে পৰা গো-পালনৰ লগত আমাৰ অসমীয়া সমাজখনৰ এক এৰাব নোৱাৰা সম্বন্ধ আছে। আমাৰ মহাপুৰুষ দুজনাইয়ো ৰচনা কৰা বহুতো বৰগীততো গো-পালনৰ বিষয়ে উল্লেখ কৰিছে। বেদতো গো-পালনৰ বিষয়ে উল্লেখ আছে আৰু গাখীৰক অমৃতৰ লগত তুলনা কৰিছে। মানৱ জীৱনৰ শৈশৱৰ পৰা বৃদ্ধাৱস্থালৈকে গৰুৱে গাখীৰৰূপী অমৃতেৰে পৰিপুষ্টি প্ৰদান কৰি আহিছে। কৃষিভূমি চহাই শস্য, শাক-পাচলি আৰু ফল-মূলেৰে মানুহক আজীৱন পৰিপুষ্টি প্ৰদান কৰাৰ ক্ষেত্ৰ ত গৰুৰ ভূমিকা আজিৰ যান্ত্ৰিক যুগতো অব্যাহত আছে। সেয়ে গো বা গৰুৰ সঠিকৰূপত লালন পালন কৰাটো মানৱ সমাজৰ বাবে এক অতি প্ৰয়োজনীয় দায়িত্ব। গাখীৰৰ দৰে অতি পুষ্টিকৰ খাদ্য প্ৰদান কৰাৰ উপৰিও গৰু মানৱ হিতকৰ ঔষধৰ ভঁৰালৰূপে অৱস্থান কৰি আমাৰ উপকাৰ সাধন কৰি আহিছে। এই ক্ষেত্ৰ ত অথৰ্ব বেদ, চৰক সংহিতা, অমৃত সাগৰ, ভৱ প্ৰকাশ, শুশ্ৰুত সংহিতা ইত্যাদি গ্ৰন্থসমূহত উল্লেখ কৰা আশ্চৰ্য্যজনক ঔষধী গুণসম্পন্ন গো-মূত্ৰৰ বিষয়ে ইতিমধ্যে আধুনিক চিকিৎসা বিজ্ঞানৰ গৱেষণাতো প্ৰমাণিত হৈছে।

অতীজৰে পৰা ঘৰৰ কেঁচা মজিয়া বা বেৰ গৰুৰ গোবৰেৰে মচা হয়। যেতিয়াৰে পৰা মানুহে কৃষি কৰ্মত মনোনিবেশ কৰিবলৈ ল'লে তেতিয়াৰে পৰা গৰুৰ গোবৰেই একমাত্ৰ আৰু সৰ্বোকৃষ্ট সাৰৰূপে গণ্য হৈ আহিছে। আধুনিক কৃষি পদ্ধতিত গৰুৰ অবিহনেও ক্ষীপ্ৰ গতিত ট্ৰেক্টৰ আদিৰ সহায়ত ৰাসায়নিক সাৰ আৰু কীটনাশকৰ প্ৰয়োগেৰে কৃষিকাৰ্য্য সমাপন কৰিব পৰা যায় যদিও এই পদ্ধতিয়ে ধাৰণশীল কৃষি ব্যৱস্থাত অপূৰণীয় ক্ষতি সাধন কৰিছে। গোবৰ বা গো-মূত্ৰৰ অবিহনে ধাৰণশীল কৃষিৰ ধাৰণা অৰ্থহীন বুলি একবিংশ শতিকাৰ কৃষি বিজ্ঞানীসকলেও মানিবলৈ বাধ্য হৈছে। বৰ্দ্ধিত জনসংখ্যাৰ খাদ্য সুৰক্ষাৰ দিশটোৰ ফালে চাই কৃষিত ৰাসায়নিক সাৰ আৰু কীটনাশকৰ ব্যৱহাৰ অপৰিহাৰ্য্য হৈছে যদিও কৃষিভূমিৰ ভৌতিক গুণাগুণসমূহ অটুট ৰাখি ভৱিষ্যৎ প্ৰজন্মৰ বাবে মাটিক কৃষি উপযোগী কৰি ৰাখিবলৈ গোবৰৰ প্ৰয়োগ অতি আৱশ্যক। গোবৰ অবিহনে পচন সাৰ আৰু কেঁচুসাৰ প্ৰস্তুত কৰাতো অসম্ভৱ। যথেষ্ট পৰিমাণে পচন সাৰ প্ৰয়োগ কৰা মাটিত শস্যৰ বাবে উপকাৰী বীজাণুবোৰে বংশ বৃদ্ধি কৰিবলৈ অনুকুল পৰিবেশ লাভ কৰে আৰু শস্যত ৰোগ সৃষ্টি কৰা বীজাণুবোৰ ধ্বংস কৰাত অৰিহনা যোগায়। কৃষি কাৰ্য্যত কৃষকসকলে সঘনাই সন্মুখীন হোৱা কীট-পতংগ আৰু ৰোগ নিয়ন্ত্ৰণ কৰিবলৈ ৰাসায়নিক কীটনাশকৰ ব্যৱহাৰ সেউজ বিপ্লৱৰ সময়ৰ পৰাই ব্যাপক হাৰত বৃদ্ধি হৈ আহিছে। পৰিবেশ প্ৰদূষণ, মানুহ আৰু পশুধনৰ স্বাস্থ্য আৰু জৈৱ বৈচিত্ৰ তাৰ ওপৰত পৰা ঋণাত্মক প্ৰভাৱৰ বাবে ৰাসায়নিক কীটনাশকসমূহৰ আদৰ নিম্নগামী হৈছে যদিও উৎপাদন বৃদ্ধিৰ স্বাৰ্থত কৃষকসকলে কীটনাশকৰ ব্যৱহাৰ কৰিবলৈ বাধ্য হৈছে। কৃষি বিজ্ঞানীসকলেও উৎপাদন বৃদ্ধিৰ হাৰত আঘাত নকৰাকৈ কৃষিত কীটনাশক প্ৰয়োগৰ বিকল্পৰ সন্ধানত গৱেষণা অব্যাহত ৰাখিছে। এই গৱেষণাৰ সুফলস্বৰূপে জৈৱিক কীটনাশকসমূহৰ উদ্ভাৱন আৰু কৃ,কৰ পথাৰত প্ৰয়োগ কৰি কীট-পতংগ আৰু ৰোগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰ ত সফলতা অৰ্জন কৰিছে। জৈৱিক কীটনাশক সমূহৰ উপৰিও গো-মূত্ৰ আৰু গোবৰৰ পৰাও কীটনাশক প্ৰস্তুত কৰি কৃষি ক্ষেত্ৰ ত সফলতাৰে প্ৰয়োগ কৰা হৈছে।

ভাৰতবৰ্ষত বিভিন্ন অঞ্চলত প্ৰচলিত আচাৰ আচৰণৰ সময়ত ব্যৱহাৰ হোৱা গৰুৰ গোবৰ, গো-মূত্ৰ, দৈ, ঘী আদিৰ মিশ্ৰণসমূহত উদ্ভিদৰ ৰোগ প্ৰতিৰোধী আৰু কীটনাশকৰ গুণাগুণ থকাৰ উমান পোৱা গৈছে। উৎসৱ পাৰ্বনত সঘনাই ব্যৱহাৰ হোৱা এবিধ মিশ্ৰণ হ'ল পঞ্চগব্য। পঞ্চগব্য হ'ল এজনী দেশী গাই গৰুৰ পৰা পোৱা গাখীৰ ২ লিটাৰ, দৈ ২ লিটাৰ, ঘী ১ লিটাৰ, গো-মূত্ৰ ৩ লিটাৰ আৰু কেঁচা গোবৰ ৫ কিঃগ্ৰাঃৰ এটা মিশ্ৰণ। এই মিশ্ৰণটোৰ ৫০ গ্ৰাম ১ লিটাৰ পানীৰ হাৰত মিহলাই বীজ শোধন আৰু ভেঁকুৰজাতীয় ৰোগৰ পৰা হাত সাৰিবলৈ শস্যত ব্যৱহাৰ কৰিব পৰা যায়। পঞ্চগব্যই উদ্ভিদৰ ৰোগৰ বীজাণু ধ্বংস কৰাৰ উপৰিও বীজ আৰু পুলিৰ স্বাস্থ্যৰ ওপৰত অনুকুল প্ৰভাৱ পেলায়।

যান্ত্ৰিক কৃষি পদ্ধতিৰ উদ্ভাৱন, বিভিন্ন কাৰ্য্যালয়, উদ্যোগ প্ৰতিষ্ঠান আদি নিৰ্মাণৰ বাবে সংৰক্ষিত গো-চৰণীয়া পথাৰৰ ভূমিৰ ব্যৱহাৰ, গাঁৱৰ কৃষকৰ চহৰমুখী হোৱা প্ৰৱণতা ইত্যাদি কাৰকসমূহে গৰুৰ সংখ্যা কমাই আনিছে। দেশ এখনৰ কৃষি উৎপাদনত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলাব পৰা পশুধন গৰুৰ সংখ্যা ব্যাপক হাৰত কমি যোৱাতো ভৱিষ্যৎ প্ৰজন্মৰ খাদ্য সুৰক্ষাৰ দিশটোত অশুভ লক্ষণ হিচাপে চিহ্নিত হৈছে। গতিকে গৰুৰ সংখ্যা বৃদ্ধি কৰাতো ভৱিষ্যৎ প্ৰজন্মৰ অস্তিত্বৰ কাৰণে অতি আৱশ্যক হৈ পৰিছে। চৰকাৰী আৰু বেচৰকাৰী সংগঠনৰ লগতে দেশৰ প্ৰতিজন সচেতন নাগৰিকে ভৱিষ্যৎ প্ৰজন্মৰ খাদ্য সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি গো-পালন আৰু গো-ৰক্ষা অভিযানত সহযোগ কৰাৰ সময় আহি পৰিছে।

**শ্ৰীগুণাঢ্য কুমাৰ উপমন্য**

# মাহটোৰ কৃষিকৰ্ম

**১৫ মাঘৰ পৰা ১৫ ফাগুণ, ১৯৪২ শক**

## পথাৰ শস্য

**ৰোৱা আহু ধান**

**উন্নত জাত ঃ** লাচিত, চিলাৰায় আৰু গোপীনাথ। বানপানী আক্ৰান্ত অঞ্চলত লুইত আৰু কপিলী আগতীয়াকৈ চপাব পৰা কম দিনীয়া জাত।

১। এবিঘাৰ বাবে ১.২৫ মিঃ বহল আৰু ১০ মিঃ দীঘল আঠখন কঠীয়াতলী প্ৰস্তুত কৰিব লাগে। তেনে জোখৰ এখন কঠীয়াতলীৰ বাবে ৬৫০ গ্ৰামৰ পৰা ১০০০ গ্ৰাম বীজৰ প্ৰয়োজন।

২। প্ৰতিখন কঠীয়া তলীত ২০ - ৩০ কিলোগ্ৰাম গোবৰ নাইবা পচন সাৰ, ৮০ গ্ৰাম ইউৰীয়া, ৮০ গ্ৰাম একক চুপাৰ ফচফেট আৰু ৪০ গ্ৰাম মিউৰিয়েট অৱ পটাচ সাৰ প্ৰয়োগ কৰিব লাগে।

৩। পুলিবোৰ সোনকালে বাঢ়িবৰ বাবে ছৈ দিয়া প্লাষ্টিকৰ 'টানেল' দি প্ৰতি ছিটা কঠীয়া তলী ঢাকি থব পাৰিলে কঠীয়া ৰুবৰ সময় ৫-৬ দিন আগুৱাই দিব পাৰি।

৪। মাটি তৈয়াৰ কৰোতেই বিঘাই প্ৰতি এক টনকৈ গোবৰ নাইবা পচন সাৰ প্ৰয়োগ কৰিব।

৫। শেষৰ বাৰ বোকা কৰাৰ সময়ত ৪ কিঃ গ্ৰাম ইউৰীয়া, ১৮ কিঃ গ্ৰাম চুপাৰ ফচফেট আৰু ৪ কিঃ গ্ৰাম মিউৰিয়েট অৱ পটাচ মাটিৰ লগত মিহলাই দিব।

৬। ওখ জাতৰ ধানৰ ক্ষেত্ৰত সাৰৰ পৰিমাণ আধালৈ কমাই দিব।

**চিঁচা আহু**

১। অসমৰ কৃষি জলবায়ু মণ্ডল অনুসৰি চিঁচা আহু ধানৰ জাত বেলেগ বেলেগ। কৃষক সকলে নিজ নিজ অঞ্চলৰ অনুমোদিত জাত বিলাক স্থানীয় কৃষি সম্প্ৰসাৰণ কৰ্মীৰ পৰা জানি লব।

২। মাটি তৈয়াৰ কৰোতেই বিঘাই প্ৰতি ১৫ কুইণ্টল গোবৰ বা পচন সাৰ প্ৰয়োগ কৰিব।

৩। শেষৰ বাৰ মাটি চহাওতে প্ৰতি বিঘা মাটিত ১৮ কিঃ গ্ৰাম হিচাবে চুপাৰ ফচফেট প্ৰয়োগ কৰিব।

৪। বীজ অঙ্কুৰণৰ ১৫-২৫ দিনৰ ভিতৰত নাইবা প্ৰথমবাৰ বন-বাত নিৰোৱাৰ পিচত ৬ কিঃ গ্ৰাম ইউৰীয়া আৰু ৪ কিঃ গ্ৰাম মিউৰিয়েট অৱ পটাচ শাৰীৰ মাজত ছতিয়াই টপড্ৰেছিং হিচাবে প্ৰয়োগ কৰিব।

৫। পুনৰ ৬ কিঃ গ্ৰাম ইউৰীয়া বীজ অঙ্কুৰণৰ ৪৫ - ৫০ দিনৰ পিচত নাইবা দ্বিতীয়বাৰ বন নিৰোৱাৰ সময়ত টপড্ৰেছিং হিচাবে প্ৰয়োগ কৰিব।

৬। ওখ জাতৰ আহু ধানৰ ক্ষেত্ৰত উল্লেখিত সাৰৰ আধা অংশ ব্যৱহাৰ কৰিব।

৭। ফাগুনৰ প্ৰথম সপ্তাহটো বীজ চিঁচাৰ উত্তম সময়।

৮। ২০ চেঃ মিঃ ব্যৱধানত শাৰীবদ্ধ প্ৰণালীত বীজ চিঁচিব। এবিঘা মাটিত চিঁচিবৰ বাবে ১০ কিঃ গ্ৰাম বীজৰ প্ৰয়োজন।

**বৰোধান ঃ**

**কীট-পতংগ নিয়ন্ত্ৰণ ঃ**

১। বৰোধানৰ পথাৰত মজাখোৱা, পাতমেৰোৱা, গছকটা, পাতচেলেকা, টু পলিকটা আদি পোকৰ আক্ৰমণ পৰিলক্ষিত হ'লে ক্লৰপাইৰিফছ্ (১৪০) মিঃলিঃ ৫০-৬০ লিঃ পানীত মিহলাই হস্তচালিত স্প্ৰেয়াৰেৰে স্প্ৰে কৰিব।

২। মজাখোৱা, গলমিজ, গছ আৰু পাত খোৱা পোকৰ আক্ৰমণ বেছি হ'লে আৰু পথাৰত জীপ থাকিলে তলত দিয়া যিকোনো এবিধ ঔষধৰ দানা পথাৰত পোনপটীয়াকৈ ছটিয়াই নিয়ন্ত্ৰণ কৰিব পাৰি।

| ঔষধৰ নাম | পৰিমাণ (কিঃ গ্ৰাম/বিঘা |
| --- | --- |
| কাৰ্বফুৰাণ ৩ জি | ৪ |

**বেমাৰ নিয়ন্ত্ৰণ ঃ**

১। বৰোধানৰ পাতত এটা বা দুটা ব্লাষ্ট বেমাৰৰ দাগ পৰা দেখা পালেই -

ইন্দোফিল এম ৪৫
ব্লাইটকস্ ৫০ (৪ গ্ৰাম)
টপচিন এম ৭০ (১ গ্ৰাম) আদি

যিকোনো এবিধৰ লগত এবিঘা তলীত স্প্ৰে কৰিবলৈ ৮০-৯০ লিঃ ঔষধৰ মিশ্ৰণৰ প্ৰয়োজন। ঠাৰি গেলা বেমাৰ নিয়ন্ত্ৰণৰ বাবে প্ৰতি লিটাৰ পানীত আধা গ্ৰাম বেভিষ্টিন মিহলাই ৮০-৯০ লিঃ মিশ্ৰণ এবিঘা তলীত স্প্ৰে কৰিব।

২। বেমাৰ নিৰ্ম্মূল নোহোৱা পৰ্য্যন্ত ১০-১৫ দিনৰ অন্তৰে অন্তৰে ঔষধ প্ৰয়োগ কৰি থাকিব।

**মুঢ়া কুঁহিয়াৰ ঃ**

১। কুঁহিয়াৰ কটাৰ পিচত তলিডৰা ভালদৰে পৰিস্কাৰ কৰি কোৰেৰে ভেটি বিলাক ভাঙি দিব লাগে। শাৰীৰ মাজৰ খালি ঠাই বিলাকত গঁজালি মেলা নতুন আগ ৰুই পূৰ কৰি দিব।

২। ভেটিবিলাক ভঙাৰ পিচতে গোবৰ নাইবা পচন সাৰ মূঢ়াবিলাকত প্ৰয়োগ কৰিব। ইয়াৰ পিচতে প্ৰতি বিঘা তলীত ৪৫ কিঃ গ্ৰাম ইউৰীয়া, ৬০ কিঃ গ্ৰাম একক চুপাৰ ফচফেট আৰু ১৫ কিঃ গ্ৰাম মিউৰিয়েট অৱ পটাছ এবাৰত নাইবা ৬০ দিনৰ ভিতৰত দুবাৰ টপড্ৰেছিং হিচাবে প্ৰয়োগ কৰিব।

**গ্ৰীষ্মকালীন মগু আৰু মাটি মাহ ঃ**

১। অসমৰ জলবায়ুৰ উপযোগী গ্ৰীষ্মকালীন মগু মাহৰ জাত কেইটা হ'ল - টি-৪৪, কপাৰ গাঁও, কে-৮৫১, এন এল ৫৬, পি আই এম এচ ১, এম এল ১৩১, এ এ ইউ ৩৪, এ এ ইউ ৩৯ আৰু প্ৰতাপ। মাটি মাহৰ জাত কেইটা হ'ল - টি ৯, পি ইউ ১৯, ইউ জি ১৫৭, আৰু জে ইউ ৭৮ ।

২। এবিঘা মাটিত শাৰীবদ্ধভাৱে চিঁচিবলৈ মগুমাহৰ ২.৫-৩.০ কিঃ গ্ৰাম আৰু মাটি মাহৰ ৩.০ - ৩.৫ কিঃ গ্ৰাম বীজৰ আৱশ্যক। ছটিয়াই চিঁচিবলৈ হ'লে উভয়ৰ ক্ষেত্ৰত আধা কিঃ গ্ৰাম বীজ সৰহকৈ লোৱা উচিত।

৩। অম্লযুক্ত মাটি হ'লে এবিঘা মাটিত ২.০ - ২.৫ কুইণ্টল চূণ গুটি চিঁচাৰ পোন্ধৰ দিন আগতে মাটি প্ৰস্তুত কৰোতে মাটিত প্ৰয়োগ কৰি অম্লতা কমাই ল'ব।

৪। বীজখিনি চিঁচাৰ আগতে পৰিস্কাৰ পানীত ধুই ৪/৫ ঘণ্টামান তিয়াই ৰাখিব। ইয়াৰ পিচত ১৫০ গ্ৰাম ৰাইজ'বিয়াম জীৱাণু সাৰ প্ৰতি ৩ কিঃ গ্ৰাম বীজৰ লগত ভালদৰে মিহলাই এঘণ্টামান সময় ছাঁত শুকাবলৈ দিব। বীজ চিঁচাৰ আগতে এবিঘা তলীত ৪.৫ কিঃ গ্ৰাম ইউৰীয়া আৰু ৩০ কিঃ গ্ৰাম একক চুপাৰ ফচফেট একেলগে ছটিয়াই মাটিৰ লগত মিলাই ল'ব। এতিয়া তলীডৰাত ৩০ চেঃ মিঃ দূৰত্বত ৫ চেঃ মিঃ দকৈ একোটা লোৰ কৰি তাত সমানে বীজ চিঁচি মাটিৰে ঢাকি দিব।

**ডঃ ৰণজিৎ কুমাৰ সাউদ**

## উদ্যান শস্য

শীতকাল অহাৰ লগে লগে বায়ু মণ্ডলৰ উষ্ণতা কমিবলৈ ধৰে, বায়ু মণ্ডল চেঁচা হয়, ৰাতি নিয়ৰ পৰিবলৈ ধৰে আৰু শেহ ৰাতিৰ পৰা ৰাতিপুৱালৈ কুঁৱলী পৰে। এই সময়ত বৰষুণ নোহোৱাৰ বাবে মাটিৰ জীপ নাইকীয়া হয়, মাটি শুকান আৰু টান হয়। এনে অৱস্থাত গছৰ বৃদ্ধি কমি যায়, ফুল নুফুলে আৰু ফল নধৰে বা ফুল ফুলিবলৈকো বহুত সময় লয় আৰু ফলবিলাক বৰ লাহে লাহে বাঢ়ে। কিন্তু ফল-মূল শস্যৰ ক্ষেত্ৰত গছত প্ৰায় ফুল নুফুলেই, বেছিভাগ ফল-মূল গছৰ পাত বিলাক সৰি পৰে গছবোৰ লঠঙা হয় আৰু গছজোপাই এই প্ৰতিকুল অৱস্থাত সোমাই কোনো মতে জীয়াই থাকে। আম, লিচু, কঠাল আদি চিৰ সেউজীয়া ফল-মূল গছবোৰৰ যদিও শীতকালত পাত সৰি নপৰে তথাপি ইহঁতৰ শৰীৰৰ প্ৰক্ৰিয়াবোৰ বৰ লাহে লাহে চলি থাকে। গতিকে এনে প্ৰতিকুল অৱস্থাত ফল-মূল গছৰ কেনেদৰে প্ৰতিপালন কৰিব লাগে তাকে আলোচনা

(৪ পৃষ্ঠাৰ ১ কলমত চাওক)

(৩ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## উদ্যান শস্য

কৰিম।

**কল ঃ** কল গছৰ গুৰিত ১০/১২ দিনৰ মূৰে মূৰে পানী দিয়াৰ ব্যৱস্থা কৰিব লাগে। মাটিত জীপ ৰাখিবৰ বাবে কল গছৰ গুৰিত ধানৰ নৰা বা খেৰ আদি জাপি দিব লাগে। কলডিল ওলোৱা গছত কাষত এটা মাত্ৰ পোখা পুলি ৰাখি বাকীবোৰ আতঁৰাই দিব পাৰিলে ভাল। কলৰ ঠোকটো মৰাপাটৰ ছটি বা কলৰ শুকান পাতেৰে মেৰিয়াই ৰাখিব লাগে, যাতে বায়ুমণ্ডলৰ কম উষ্ণতাই কলৰ ঠোকটো বঢ়াত বাধা নিদিয়ে। এই সময়ত গছত পানীৰ পৰিমাণ বাঢ়ি যোৱাৰ বাবে সাধাৰণতে গছৰ পাত পটুৱাবোৰ কাটিব নেলাগে।

**নাৰিকল ঃ** নাৰিকল গছৰ গুৰি ভালদৰে ভিজি যোৱাকৈ প্ৰতি ১০/১২ দিনৰ ব্যৱধানত এবাৰকৈ পানী দিব লাগে। মাটিত জীপ ৰাখিবৰ বাবে পানী যোগান ধৰাৰ পাচত গছৰ চাৰিওফালে মাটিত ধান খেৰ, গছৰ শুকান পাত বা মেটেকা জাপি দিয়ক। গছৰ গুৰিত সৰহ পৰিমাণে পচন সাৰ বা শুকান গোবৰ প্ৰয়োগ কৰিলে মাটিয়ে পানী ধৰি ৰখাত সহায় হয়। নতুনকৈ ৰোৱা সৰু পুলিবিলাকৰ গুৰিত পচন সাৰ দি মাটি জাপি দিয়ক। পুলিৰ মাজৰ খালি অংশত অন্তৰ্ৱৰ্ত্তী শস্য হিচাবে নানা তৰহৰ শাক-পাচলিৰ খেতি কৰক। লাগনি গছৰ পৰা শুকান বা পুৰঠ নাৰিকলবোৰ পৰি আনক। গছৰ আগ অংশত থকা শুকান পাতবোৰ বা শুকান ঠোকৰ বখলাবোৰ বা ঠোকবোৰ কাটি আতঁৰাই আনক। গছৰ গুৰি অংশ পৰিস্কাৰ কৰি মাটিৰ পৰা ৩-৪ ফুট ওপৰলৈ গা-গছত এটা চূণৰ প্ৰলেপ দিয়ক।

**তামোল ঃ** তামোলবাৰীত প্ৰতি ১৫ দিনৰ অন্তৰত এবাৰ পানী যোগান ধৰিব লাগে। তামোলবাৰীৰ পৰা শুকান পাতবোৰ আতঁৰাই বাৰীখন পৰিস্কাৰ কৰি ৰাখক। মাজৰ ঠাইখিনিৰ পৰা বন-বাতবোৰ আতঁৰাই গছৰ গুৰিত পচন সাৰ বা গোবৰ সাৰ দি মাটি চপাই দিয়ক। নতুনকৈ ৰোৱা পুলিবিলাকৰ গুৰিত গোবৰ সাৰ দি মাটি চপাই দিয়ক। তামোল নলগা সৰু বাৰীৰ মাজৰ খালী অংশত কোৰ মাৰি জলকীয়া, বেঙেনা, বিলাহী আদিৰ খেতি কৰক। গছৰ গুৰিত ৩ ফুট অংশ নাৰিকল গছত দিয়াৰ দৰে চূণৰ প্ৰলেপ দিয়ক।

**মাটি কঠাল ঃ** মাটি কঠালৰ বাৰীত আৱতৰীয়াকৈ হোৱা পকা ফলবোৰ চপাই আনিব লাগে। মূঢ়া শস্যৰ গুৰিত পাতলীয়াকৈ মাটি চপাওক। তেনেবোৰ গছত এটামাত্ৰ পোখা পুলি ৰাখি বাকীবোৰ পুলি উঠাই বেলেগে ৰোপন কৰাৰ ব্যৱস্থা কৰিব লাগে নাইবা বহাগ-জেঠ মাহত ততালিকৈ ৰোপন কৰিব পৰাকৈ জীপ থকা মাটিত এটা এটাকৈ গোটাই থওক, যাতে পোখা পুলিবোৰত শিপা ওলায়। শীতকালত কেতিয়াবা অহা বৰষুণৰ পাচত ছেগ বুজি মাটি কঠালৰ বাৰীত দুটা শাৰীৰ মাজৰ খালি অংশত ধানৰ তুঁহ পাতলীয়াকৈ জাপি দিব পাৰিলে বৰষুণৰ পাচত বহুত দিনলৈ মাটিত জীপ থাকে। নতুনকৈ বাৰী পাতিবৰ মন থাকিলে ওখ চানেকীয়া মাটি বাছনি কৰি হাল-কোৰ মৰাৰ ব্যৱস্থা কৰিব পাৰে।

**নেমুটেঙা ঃ** নেমুগছৰ শুকান, বেমাৰে আক্ৰমণ কৰা বা বেছি বয়সৰ ডালবোৰ গুৰিতে কাটি আতঁৰাই দিব লাগে। গছত ফলৰ সংখ্যা বঢ়াই উৎপাদন বঢ়াবলৈ হ'লে গছৰ ওপৰৰ ৩০ চেঃমিঃ বা ১ ফুট অংশ ডাল সমান জোখত এতিয়াই কাটি দিয়ক। গছৰ গুৰিৰ মাটিত যাতে জীপ থাকে তালৈ লক্ষ্য ৰাখিব লাগে। গছত থকা পুৰঠ ফলবোৰ চপাই আনক। গছত আক্ৰমণ কৰা পোক বা বেমাৰৰ বাবে নিবাৰণৰ ব্যৱস্থা কৰক। গছৰ গুৰিৰ পৰা বন-বাতবোৰ আতঁৰাই গুৰিত ২-৩ ফুট ওপৰলৈ এটা চূণৰ প্ৰলেপ দিয়ক।

**সুমথিৰা টেঙা ঃ** গছৰ পৰা পকা ফলবোৰ চপাই আনক। ফল চপোৱাৰ সময়ত গছৰ শুকান বা বেমাৰে আক্ৰমণ কৰা ডালবোৰ কাটি দিয়ক। ফল চপোৱা শেষ হ'লে টেঙা বাৰীখনত জীপ ৰাখিবৰ বাবে এবাৰ পানীৰ ব্যৱস্থা কৰক। গছৰ গুৰিৰ পৰা বন-বাতবোৰ আতঁৰাই গা-গছত ২-৩ ফুট ওপৰলৈ এটা চূণৰ প্ৰলেপ দিয়ক। নতুনকৈ যদি কমলাৰ বাৰী পাতিব খুজিছে তেন্তে সহজে পানী ওলাই যাব পৰা ৰ'দঘাই ওখ সাৰুৱা মাটি বাছনি কৰি হাল-কোৰ মৰাৰ ব্যৱস্থা কৰক। পুৰণি বাৰীৰ পৰা অপ্ৰয়োজনীয় গছবোৰ উঠাই দিয়ক। গছত আক্ৰমণ কৰা পোক বা বেমাৰৰ বাবে নিৰাময়ৰ ব্যৱস্থা কৰক।

**অমিতা ঃ** বাৰিষা ৰোপণ কৰা অমিতা গছত যদি ফুল ওলাই লিংগ নিৰ্ণয় কৰিব পৰা অৱস্থা হৈছে তেন্তে ভিন্নবাহী অমিতা সঁচৰ ক্ষেত্ৰত মতা গছবোৰ কাটি মাত্ৰ স্ত্ৰী পুষ্প গছবোৰ ৰাখক। অৱশ্যে প্ৰতি ১০ জোপা স্ত্ৰী পুষ্প গছৰ মাজত এজোপা পুং পুষ্পৰ গছ ৰাখিব লাগে। মাথোন স্ত্ৰী পুষ্প বাহক সঁচৰ গছৰ ক্ষেত্ৰত এই নিয়ম সাধাৰণতে প্ৰযোজ্য নহয়। ফলৰ আকাৰ ডাঙৰ আৰু উন্নত মানদন্দৰ বাবে লাগনি গছত থকা মাজৰ সৰু সৰু ফলবোৰ চিঙি পাতল কৰি দিব লাগে।

**মধুৰি আম ঃ** ফল নধৰা আৰু আগৰ পৰা শুকাই অহা ডালবোৰ কাটি দিয়ক। এবাৰো ফুল নুফুলা থিয় ডালবোৰ মাটিলৈ হাওলাই আনি বেকাকৈ ৰাখক। গছৰ তলৰ পৰা বন-বাতবোৰ চিকুণাই এবাৰ পাতলীয়াকৈ কোৰ মাৰি দিয়ক। গা-গছৰ গুৰি অংশৰ ২-৩ ফুট ওপৰলৈ চূণৰ প্ৰলেপ দিয়ক।

**ড° ৰাজেন্দ্ৰ প্ৰসাদ দাস**

(২ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## লেটব্লাইট-আলুখেতিৰ ...

লাগে। তাৰ ঠিক ৭-১০ দিনৰ পাছত ডাইথেন এম ৪৫ নামৰ দৰৱবিধৰ ২.৫ গ্ৰাম প্ৰতি লিটাৰ পানীত মিহলাই স্প্ৰে কৰিব লাগে। মুঠতে এই দুইবিধ দৰৱ সলনা সলনিকৈ স্প্ৰে কৰি সুফল পাব পাৰি।

৩) আলুৰ গুৰিত মাটি চপাই দিয়াৰ সময়তে ঢাপবোৰ যথেষ্ট ওখ কৰি দিব লাগে যাতে গুটিবোৰ মাটিৰ ওপৰত ওলাই নাথাকে আৰু ৰোগৰ বিস্তাৰত বাধাপ্ৰাপ্ত হয়।

৪) শতকৰা ১ ভাগ বৰডো মিশ্ৰণ স্প্ৰে কৰিও এই ৰোগ নিয়ন্ত্ৰণ কৰিব পাৰি।

৫) সংৰক্ষণৰ আগতে আলুগুটিবোৰ ভালকৈ নিৰীক্ষণ কৰাটো খুবেই প্ৰয়োজন। যিহেতু আক্ৰান্ত আলুগুটিয়েই এই ৰোগৰ বীজাণুৰ প্ৰধান বাহক।

এবিঘা মাটিত আলুখেতি কৰিবলৈ হ'লে আৱশ্যক হোৱা বীজ তথা পথাৰ প্ৰস্তুতিৰ বাবে ৮,০০০-১০,০০০ খৰচ কৰিব লগা হয়। এই ক্ষেত্ৰত লেটব্লাইটৰ আক্ৰমণৰ ফলত খেতিডৰা নষ্ট হ'লে কৃষকৰ পিঠিত মাধমাৰ পৰাটো আৱশ্যাম্ভাবী। সেয়েহে বেমাৰ হ'লে দৰৱ ছটিয়াব বুলি অপেক্ষা কৰি নাথাকি প্ৰতিৰোধক জাত তথা প্ৰতিষেধক ব্যৱস্থাৱলী গ্ৰহণ কৰি খেতিড্ৰা বচাইৰখাটো অতিকৈ জৰুৰী তথা বুদ্ধিমানৰ কাম।

**শ্ৰীমতী মধুস্মিতা কটকী**

(১ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## আগতীয়া ৰোৱা আহুধান..

সাৰ ব্যৱহাৰ কৰিলে চাপৰ জাতৰ বাবে বিঘাই প্ৰতি ৬ কিঃগ্ৰাঃ ডি এ পি, ১০ কিঃগ্ৰাঃ ইউৰীয়া আৰু ৪ কিঃগ্ৰাঃ মিউৰেট অৱ পটাছ সাৰৰ প্ৰয়োজন হয়। ওখ জাতৰ বাবে বিঘাই প্ৰতি ৩ কিঃগ্ৰাঃ ডি এ পি, ৫ কিঃগ্ৰাঃ ইউৰীয়া আৰু ২ কিঃগ্ৰাঃ মিউৰেট অৱ পটাছ সাৰ প্ৰয়োগ কৰিব লাগে।

**সাৰ প্ৰয়োগৰ সময় ঃ** আগতীয়া ৰোৱা আহুৰ বাবে ৰোৱনী চাহতে ইউৰীয়া সাৰৰ এক তৃতীয়াংশ আৰু একক চুপাৰ ফচফেট আৰু মিউৰেট অৱ পটাছ সাৰৰ সমপূৰ্ণ অংশ প্ৰয়োগ কৰিব লাগে। বাকী ৰৈ যোৱা ইউৰীয়া সাৰৰ এক তৃতীয়াংশ ধানে পোখা মেলাৰ সময়ত আৰু অন্য এক তৃতীয়াংশ ধানে মণিধৰাৰ সময়ত প্ৰয়োগ কৰিব লাগে। ইউৰীয়া সাৰৰ অপচয় ৰোধ কৰিবৰ বাবে ইউৰীয়া সাৰ টপড্ৰেচিং কৰাৰ পাছতেই শাৰীৰ মাজত নিৰণি যন্ত্ৰ চলাই দিব লাগে বা ভৰিৰে গচকি সাৰখিনি মাটিৰ লগত মিহলি কৰি দিব লাগে।

**কঠীয়া ৰোপণ ঃ** আগতীয়া ৰোৱা আহুৰ বাবে কঠীয়া ৰোৱাৰ সময় হৈছে চ'ত মাহৰ দ্বিতীয় সপ্তাহ। বিঘাই প্ৰতি উচিত পৰিমাণৰ গোছা পাবৰ বাবে শাৰীবদ্ধ প্ৰণালীত কঠীয়া ৰুব লাগে। গোছাই প্ৰতি ২-৩ ডাল কঠীয়াই যথেষ্ট। কঠীয়া পোনকৈ আৰু ৪-৫ ছেঃ মিঃ গভীৰতাত ৰুব লাগে। দুটা শাৰীৰ মাজত দূৰত্ব ২০ ছেঃমিঃ বা ৮ ইঞ্চি আৰু দুটা গোছাৰ মাজত দূৰত্ব ১৫ ছেঃমিঃ বা ৬ ইঞ্চি হ'ব লাগে। কঠীয়া ৰোৱাৰ ৭-১০ দিনৰ পাছত মৰি যোৱা কঠীয়াবোৰ উভালি নতুন কঠীয়া ৰোপণ কৰিব লাগে।

**জলসিঞ্চন ব্যৱস্থা ঃ** আগতীয়া ৰোৱা আহু ধানৰ খেতিৰ বাবে পানী যোগানৰ ব্যৱস্থা কৰাটো অপৰিহাৰ্য্য। ৰোৱা আহু ধানৰ খেতিৰ বাবে মুঠতে ৮০০-১০০০ মিঃ মিঃ পানীৰ প্ৰয়োজন হয়। তাৰ ভিতৰত আমি ৩৫০-৫০০ মিঃমিঃ পানী জলসিঞ্চন ব্যৱস্থাৰে যোগান ধৰিব লগা হয় আৰু গোটেই সময়ছোৱাত ৭-১০ বাৰ জলসিঞ্চন কৰিব লগা হয়। কঠীয়া ৰোৱাৰ ২-৩ দিন পাছৰে পৰা ধান পকাৰ ১০-১৫ দিন আগলৈকে পথাৰত ৫ ছেঃ মিঃ পানী ৰাখিব লাগে। পানী যোগানৰ ক্ষেত্ৰত মিতব্যয়িতা অৱলম্বন কৰিবলৈ আগতে যোগান ধৰা পানীখিনি শুকুৱাৰ ৩ দিনৰ মূৰে মূৰে ৫ ছেঃমিঃ পানী পথাৰত যোগান ধৰিব লাগে।

**বন-বাত নিয়ন্ত্ৰণ ঃ** বন-বাত নিয়ন্ত্ৰণ কৰিবৰ বাবে কঠীয়া ৰোৱাৰ ২০ আৰু ৪০ দিনৰ পাছতে নিৰণি যন্ত্ৰ ব্যৱহাৰ কৰিব লাগে। বিকল্প হিচাপে ইউৰীয়া সাৰ টপড্ৰেছিং কৰাৰ সময়ত নিৰণি যন্ত্ৰ ব্যৱহাৰ কৰিলেও সুফল পোৱা যায়।

**ড° ৰণজিৎ কুমাৰ সাউদ**

(১ পৃষ্ঠাৰ ৩ কলমৰ পৰা)

## কৃষিত প্ৰশস্ত হ'ব বেচৰকাৰী

ইয়াৰ ফলত কৃষকৰ নতুন নতুন ক্ষেত্ৰ উন্মোচন হ'ব। নতুন কৃষি আইনৰ ফলত নতুন প্ৰযুক্তি আৰু নতুন বজাৰ উভয় ক্ষেত্ৰতে লাভৱান হ'ব আমাৰ কৃষকসকল। মোডীয়ে ভাষণত এনেধৰণৰ বিষয়বস্তু উপস্থাপন কৰি নতুন কৃষি আইনৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ বিষয়ে কৃষকসকলৰ দৃষ্টি আকৰ্ষণ কৰে। প্ৰধানমন্ত্ৰী গৰাকীৰ মতে অতবছৰে দেশৰ কৃষিক্ষেত্ৰত আটাইতকৈ কম বেচৰকাৰী বিনিয়োগ হৈছিল। কিন্তু এতিয়া বেচৰকাৰী বিনিয়োগৰ বিপুল সম্ভাৱনা উদয় হৈছে। প্ৰধানমন্ত্ৰী গৰাকীয়ে লগতে কয় যে তেওঁৰ চৰকাৰ কৃষকৰ উন্নয়ন সাধনৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু দায়বদ্ধ। সেই উদ্দেশ্যে নতুন আইন সংসদত গৃহীত কৰোৱা হৈছে। কৃষকৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ লক্ষ্যৰে কৃষি আইনত যাৱতীয় ব্যৱস্থাপনা নিশ্চিত কৰা হৈছে। নতুন প্ৰযুক্তি আৰু নতুন বিপণনে যি সুযোগ কৃষকসকলৰ আগত আনি দিব তাৰ জৰিয়তে তেওঁলোকে নতুন প্ৰত্যয়েৰে আগুৱাব পাৰিব। নতুন ব্যৱস্থাত কৃষকে শস্য বিক্ৰী কৰাৰ যিধৰণে সুযোগ লাভ কৰিব, একেদৰে বাহিৰৰ ব্যৱসায়িক বিক্ৰী কৰাৰো পথ নিশ্চিত কৰা হৈছে। ইয়াৰ ফলত কৃষকৰ বাবে উন্মোচন হৈছে নতুন নতুন পথ।

(১ পৃষ্ঠাৰ ৩ কলমৰ পৰা)

## কুঁহিয়াৰ গৱেষণা কেন্দ্ৰ ..

আৰু স্মৃতি তৰ্পণ কাৰ্যসূচীৰে আৰম্ভ হোৱা মেলাখনিৰ আদৰণি ভাষণত কেন্দ্ৰটোৰ মুখ্য বিজ্ঞানী ড° বিজ্ঞান চন্দ্ৰ বৰদলৈয়ে চলিত বৰ্ষত কেন্দ্ৰটোৱে উদ্ভাৱন কৰা 'কাকডোঙা' নামৰ কুঁহিয়াৰৰ নতুন বীজৰ বিষয়ে ভালদৰে বুজাই কয়। কৃষক মেলা উদ্বোধন কৰি দিয়া ভাযত প্ৰগতিশীল কৃষক শ্ৰীভুবনেশ্বৰ হাজৰিকাই কুঁহিয়াৰ খেতি কৰি নতুন প্ৰজন্মই কেনেদৰে স্বাৱলম্বী হৈ উঠিব পাৰে সেই বিষয়ে উদাহৰণসহ ব্যাখ্যা আগবঢ়ায়। গোলাঘাট জিলা কৃষি বিষয়া শ্ৰী নবীন চন্দ্ৰ বৰাই উদ্বোধনী সভাত অংশ গ্ৰহণ কৰি বৰ্তমান চৰকাৰে আগবঢ়োৱা বিভিন্ন চৰকাৰী সা-সুবিধা আৰু কৃষি আঁচনিৰ বিষয়ে উল্লেখ কৰি ৰাজসাহায্যযুক্ত যন্ত্ৰ-পাতিৰ যোগেদি কৃষিকৰ্মত নিয়োজিত হ'বলৈ কৃষকসকলৰ প্ৰতি আহ্বান জনায়। সামূহিক বিজ্ঞান মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত বিজ্ঞান গুৰু ড° প্ৰণতি দাসে সভাত ভাষণ আগবঢ়ায়। কুঁহিয়াৰ গৱেষণা কেন্দ্ৰৰ বিজ্ঞানী ড° কস্তুৰী চৌধুৰীয়ে আঁত ধৰা আৰু তুলিকা মেধিয়ে সহযোগ কৰা এই কৃষক মেলা অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে কেন্দ্ৰটোৰ বিজ্ঞানী ত্ৰিদিব বৰবৰাই। কৃষক মেলাৰ লগত সংগতি ৰাখি আয়োজন কৰা এখন কৃষি প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই। কৃষক মেলাৰ এই অনুষ্ঠানত খুমটাই কৃষি বিজ্ঞান কেন্দ্ৰ, তিতাবৰ ধান গৱেষণা কেন্দ্ৰ, অসম কৃষি বিশ্ববিদ্যালয়ৰ সামূহিক বিজ্ঞান মহাবিদ্যালয়ৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ বিপনীয়ে প্ৰদৰ্শনীত অংশ গ্ৰহণ কৰে। আবেলি কৃষক বিজ্ঞানীৰ এখন মত-বিনিময় অনুষ্ঠানৰো আয়োজন কৰা হয়। কেন্দ্ৰটোৰ প্ৰধান বিজ্ঞানী ড° ধীমানদেৱ সিনহাই আঁত ধৰা এই মত-বিনিময় অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি বিজ্ঞানী ড° দিলীপ শইকীয়া, ড° মুকুল ডেকা, ড° বিপুল ডেকা, ড° গৌতম শইকীয়া, ড° সেউজী বৰা, ড° সঞ্জীৱ শৰ্মা, ড° ৰমনী ঠাকুৰীয়া, ড° প্ৰদীপ দে, মৃদুস্মিতা বৰঠাকুৰ আদিয়ে অংশ গ্ৰহণ কৰি কৃষকৰ সমস্যা সমূহৰ সমাধান আগবঢ়ায়। অংশ গ্ৰহণকাৰী কৃষকসকলে তেওঁলোকৰ কৃষি সম্পৰ্কীয় সমস্যাবিলাক কৃষি বিজ্ঞানীৰ লগত আলোচনা কৰি যথেষ্ট উপকৃত হয়।

**বছৰেকীয়া বৰঙণি ঃ** ১০.০০ টকা। **প্ৰতিখনৰ মূল্য ঃ** ১.০০ টকা। **প্ৰকাশৰ স্থান ঃ** অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ১৩। সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠকৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত। অসম কৃষি বিশ্ববিদ্যালয় অফছেট ছপাশাল, যোৰহাট - ১৩ ত মুদ্ৰিত। **মুখ্য সম্পাদক ঃ** ড° ৰণজিৎ কুমাৰ সাউদ